# তৃতীয় অধ্যায়
## ঢকুৱাখনাৰ মঠ-মন্দিৰ সমূহত পালনীয় উৎসৱ-পাৰ্বণ

**৩.১ শ্ৰী শ্ৰী ঈশ্বৰীয় হাৰ্হি দেৱালয়ত পালনীয় উৎসৱ আৰু আচাৰ-অনুষ্ঠান ঃ**

ঐতিহ্যপূৰ্ণ হাৰ্হি দেৱালয়খন পূৰ্বৰে পৰা এখন 'শক্তি'ৰপীঠ ৰূপে বিবেচিত হৈ আহিছে। কিন্তু দেৱালয়খনত হিন্দুৰ কেউটা সম্প্ৰদায়ৰ দেৱ-দেৱী আৰু বুদ্ধ মুৰ্তি থকা কথাটোৱে কিছু দূৰলৈ ভাবিবলৈ বাধ্য কৰায়। এই কথাৰ উহঁ বিচাৰি গলেও ইয়াৰ কোনো সঠিক সিদ্ধান্ত উলিয়াবলৈ কেৱল আনুমানিক সিদ্ধান্ত হে গ্ৰহণ কৰিব লাগিব।

১৯০৫ চনত ড° ব্লকে শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ চাবলৈ যাওঁতে ভিন-ভিন দেৱ-দেৱীৰ মূৰ্তি দেখা পাইছিল। [১]"ভগা-ছিগা শিলৰ দ'মৰ মাজত সূৰ্য, শিৱৰ বুকুত নৃত্যৰত কালী আৰু সম্ভৱত সৰস্বতী মূৰ্তিও দেখা পোৱা গ'ল।" তীক্ষ্ণক্ৰান্ত, উগ্ৰতাৰা বা একঁজটা বৌদ্ধ তাম্ৰেশ্বৰী মন্দিৰৰ তান্ত্ৰিক দেৱী আছিল। শিৱ পূজাৰ পিছত পুৰণি কামৰূপৰ প্ৰজাগণ পোনে-পোনে স্বৰ্গলৈ যাব ধৰাত ব্ৰহ্মা আৰু বিষ্ণুৰ নিৰ্দেশত শিৱ আৰু উগ্ৰতাৰা আদিয়ে বশিষ্ঠ মুনিৰ লগতে সকলোকে খেদিবলৈ বিচৰা কালিকা পুৰাণৰ শেষত বৰ্ণিত কাহিনীটোৱে এটা কথাৰ ইংগিত দিয়ে যে বৌদ্ধ দেৱীৰ তান্ত্ৰিক পূজাৰ লগতে শিৱ পূজা এসময়ত সংমিশ্ৰিত হৈছিল। পৰৱৰ্তী সময়ত এই বৌদ্ধ দেৱী হিন্দু শাস্ত্ৰত দূৰ্গা বা কালীৰ সৈতে একাকাৰ কৰা হ'ল। 'হৰিবংশ'ত আকৌ দূৰ্গাক বিষ্ণুৰ সহযোগী দেৱী ৰূপ বৰ্ণিত কৰা হৈছে। [২] "কালিকা পুৰাণ"তো শক্তিৰ মাহাত্ম্য বিশেষভাৱে বৰ্ণনা কৰাৰ লগতে শিৱ আৰু বিষ্ণুৰ মাহাত্ম্য বৰ্ণনা কৰালৈ চাই দশম শতিকাৰ আগতেই বৈষ্ণৱ আৰু শাক্ত এই দুয়োটা ধাৰাৰ লগতে যে শক্তিবাদৰ সমন্বয় হৈছিল তাক ধৰিব পাৰি। এই গ্ৰন্থৰ প্ৰথম মঙ্গলাচৰণতে বিষ্ণু, বিষ্ণুশক্তি মায়া আৰু পুৰুষোত্তম আৰু শিৱক প্ৰাৰ্থনা কৰিছে। নিধন পুৰ তামৰ ফলি মতে ৬ ষ্ঠ শতিকাৰ ভূপতি বৰ্মন ৰজাই বিভিন্ন গোত্ৰৰ দুশ ঘৰ ব্ৰাহ্মণক বৈদিক ধৰ্ম আৰু

সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে আনি সংস্থাপিত কৰিছিল আৰু পূব অসমৰ শদিয়া অঞ্চলত আৰ্যজাতিৰ কলিতাসকলে অতি পুৰণি কালতে বসতি কৰিছিল বুলি জনা যায়।”

গতিকে তাম্ৰেশ্বৰী মন্দিৰত হিন্দু ধৰ্মৰ এই তিনিওটা ধাৰাৰ দেৱ-দেৱী আৰু বুদ্ধৰ মূৰ্তি একত্ৰিতভাৱে দেখা পোৱাটো একো অস্বাভাৱিক নহয় আৰু তাৰেই অংশৰূপে হাৰ্হি দেৱালয়ত বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি একত্ৰিত ৰূপত সংৰক্ষিত কৰি ৰাখিছে। দেৱালয়খনত বৰ্তমান থকা শৈৱ, শাক্ত, বৈষ্ণৱ আৰু বৌদ্ধ সম্প্ৰদায়ৰ মূৰ্তিবোৰ এনেধৰণৰ -

**(ক) শৈৱ সম্প্ৰদায়ৰ মূৰ্তি ঃ**

(১) শিৱমূৰ্তি ঃ অষ্ট ধাতুৰে নিৰ্মিত, বৃষভ অধিষ্ঠিত দশভূজযুক্ত দুখন শিলৰ মূৰ্তি। ই ২৫ আৰু ৫০ ছেঃমিঃ ওখ।

(২) একত্ৰিত শৈৱ পৰিয়াল মূৰ্তি ঃ শিৱ, পাৰ্বতী, গনেশ আৰু কাৰ্তিক একেলগে থকা ৫ ছেঃমিঃ ওখ  পিতলৰ মূৰ্তি।

(৩) পঞ্চবক্ৰ শিৱ মূৰ্তিঃ  এই মূৰ্তিটো ভূষণ যুক্ত, পঞ্চমুখীয়া।

**(খ) শাক্ত সম্প্ৰদায়ৰ মূৰ্তি ঃ-**

(৪) দূৰ্গা মূৰ্তি ঃ দেৱালয়খনত অষ্টধাতুৰ দশভূজা, সিংহ অধিষ্ঠিতা দুখন দূৰ্গা মূৰ্তি আছে। ই ৫০ ছেঃমিঃ আৰু ১২ ছেঃমিঃ ওখ। ডাঙৰ মূৰ্তি খনৰ সোঁগালত ক্ষত চিহ্ন দেখা পোৱা যায়।

(৫) ভৱানী মূৰ্তি ঃ দ্বিভূজা ২৫ ছেঃমিঃ ওখ, মুদ্ৰা ভংগীত থকা এখন ভৱানী মূৰ্তি।

(৬) মনসা মূৰ্তি ঃ চতুৰ্ভূজা ৫০ ছেঃমিঃ ওখ আৰু প্ৰায় ২০ ছেঃমিঃ বহল শিলত কটা এটি মনসা মূৰ্তি আছে। লগতে নাগ আৰু সৰ্প আছে।

(৭) চণ্ডী  মূৰ্তি ঃ পিতলৰ ১২ ছেঃমিঃ ওখ এখন চণ্ডী মূৰ্তি আছে। এখন হাতত খড়গ এখন হাতত পান-পাত্ৰ আয়ুধ আৰু আন দুখন হাত বৰদান আৰু অভয় মুদ্ৰাত আছে।

(৮) ভদ্ৰকালী মূৰ্তি ঃ অষ্টভূজা ৮ ছেঃমিঃ ওখ এখন পিতলৰ ভদ্ৰকালীৰ মূৰ্তি আছে।

(৯) দক্ষিণা কালী ঃ ৯ ছেঃমিঃ ওখ দ্বিভূজা, পিতলৰ বিবস্ত্ৰা, এখন দক্ষিণা কালীৰ মূৰ্তি আছে।

(১০) জগত দ্বাত্ৰী মূৰ্তিঃ ৪০ বছৰ মান আগৰ এখন জগতদ্বাত্ৰী মূৰ্তি আছে।

(১১) যোগিনী মূৰ্তি ঃ শিলত চাপকটা ৯/১০ ছেঃমিঃ মান ওখ এখন যোগিনী মূৰ্তি আছে।

**(গ) বৈষ্ণৱ সম্প্ৰদায়ৰ মূৰ্তি ঃ**

(১২) বিষ্ণু মূৰ্তি ঃ পিতলৰ ৫০ মিটাৰ ওখ, গৰুড় বাহনেৰে চৰ্তুভূজযুক্ত শংখ, চক্ৰ, গদা, পদ্মযুক্ত এখন  বিষ্ণু মূৰ্তি আছে।

(১৩) গৰুড় মূৰ্তি ঃ ২৫ ছেঃমিঃ মান ওখ উৰন্ত অৱস্থাত থকা পিতলৰ গৰুড় মূৰ্তি।

(১৪) বংশী বাদন বিষ্ণু মূৰ্তি ঃ দেৱালয়খনত কোনোবা পূজাৰীৰ ঘৰৰ পৰা দান হিচাপে লাভ কৰা এটা বংশীবাদনৰ বিষ্ণু মূৰ্তি আছে।

(১৫) সৰস্বতী মূৰ্তি ঃ ১০ ছেঃমিঃ মান ওখ দ্বি-ভূজা এখন সৰস্বতী মূৰ্তি আছে। এখন হাতত লেখনি  আৰু আনখন হাতত পুস্তক আয়ুধ আছে।

(১৬) লক্ষ্মী মূৰ্তি ঃ প্ৰায় ১০ ছেঃমিঃ মান ওখ দুখন হাতৰ এখন লক্ষ্মী মূৰ্তি আছে।

(১৭) বিষ্ণু, লক্ষ্মী, সৰস্বতী মূৰ্তি ঃ বিষ্ণু, লক্ষ্মী আৰু সৰস্বতী একত্ৰে থকা এখন পিতলৰ মূৰ্তি আছে। প্ৰায় ৫ ছেঃমিঃ ওখ মূৰ্তিখন একেখন আসনতে অধিষ্ঠিত।

**(ঘ) বৌদ্ধ সম্প্ৰদায়ৰ মূৰ্তি ঃ**

ক্ষয়প্ৰাপ্ত প্ৰায় ৫০ ছেঃমিঃ ওখ শিলত কটা এখন ধ্যানস্থ বৌদ্ধ মূৰ্তি আছে। অৰশ্যে দেৱালয়খনৰ বেদীত থকা চাৰিটা শালগ্ৰাম শিলা পৰবৰ্তী কালৰ সংযোজন আৰু দুই এটা মূৰ্তি অৰ্বাচীন, সি যিয়েই নহওক স্বৰ্গদেউ শিৱসিংহৰ দিনৰ পৰা কন্যাকব্জৰ পৰা অনা ব্ৰাহ্মণ পূজাৰীৰ দ্বাৰা তান্ত্ৰিক পৰম্পৰাৰে সকলো দেৱ-দেৱীৰ পূজা দেৱালয়খনত চলি আহিছে। লগতে দেৱালয়খনৰ তত্ত্বাবধান আৰু সকলো উৎসৱ- অনুষ্ঠান পূজাৰীজনেই পৰিচালনা কৰে। সকলো দেৱ-দেৱীৰ নিত্য পূজাৰ লগতে দূৰ্গা পূজা এই দেৱালয়খনত মহা আড়ম্বড়েৰে উদ্‌যাপিত কৰা হয়। আনকি ১৭২২ খ্ৰীঃৰ আগলৈকে দেৱালয়খনত নৰবলি দিছিল বুলিও জনা যায়। বৰ্তমানেও ই দূৰ্গা পূজাৰ বিশেষ থলী।

বৰ্তমানৰ পূজাৰী ললিত বৰঠাকুৰৰ পৰা পোৱা তথ্য অনুসৰি, [৩] আহিন মাহৰ শুক্লা তিথিৰ পৰা দশমী তিথিলৈকে দেৱালয়খনত দূৰ্গা পূজা অনুষ্ঠিত হয়। ষষ্ঠীৰ দিনা দেৱীৰ আমন্ত্ৰণ অধিবাস কৰি দেৱীক আমন্ত্ৰণ কৰে। সেইদিনা জৰা, কুঁহিয়াৰ, কোমোৰা বলি দিয়া হয়। সপ্তমীৰ দিনা আৰম্ভণিতে নৱ- পত্ৰিকা প্ৰতিষ্ঠা কৰাৰ বাবে সৰু মালভোগ কলৰ পুলিত ধান, মানকচু, হালধি, ডালিম, অশোক ফুলৰ ডাল, যুৰীয়া বেল, অপৰাজিতাৰ লতাৰে মেৰিয়াই এগৰাকী নাৰী প্ৰতিষ্ঠা কৰি বলি- বিধানৰ লগতে বিহিত পূজা অৰ্চনা কৰাৰ পৰম্পৰা আছে। অষ্টমীৰ দিনা দশভূজা দেৱী মূৰ্তিক আসনৰ পৰা আনি তামৰ পাত্ৰত অগৰু, তিলতেল, জবা, কুসুম, নেমু , মৌচুমী, কেঁকুৰা গাঁতৰ পানী, গৰুৰ মূত্ৰ, উঁই হাফলুৰ মাটি, গাহৰি কপালৰ মাটি আদি বিভিন্ন দ্ৰব্যৰ সংমিশ্ৰণেৰে দেৱীক স্নান কৰোৱা হয়। সেইদিনা প্ৰথম জৰা তাৰ পিছত কোমোৰা, কুঁহিয়াৰ, হাঁহ-ছাগলী, ম'হ বলি দিয়া হয়। সেইদিনা ৰাতি ১০৮ গছ চাকিৰে দেৱীক আৰাধনা কৰি পূজা সামৰে। নৱমীৰ দিনা দেৱীৰ আন এক ৰূপ চণ্ডীক ন-খন অস্ত্ৰৰে বলেগ বেলেগ বলি কাটি পূজা কৰাৰ লগতে হোমৰ অগ্নিত দেৱীক আহুতি দিয়ে। ইয়াৰ জৰিয়তে বলি দিয়া জীৱৰ মুক্তি লাভ হয় বুলি ধাৰণা কৰা হয়। যজ্ঞৰ পিছত নৱমীৰ পূজা বিসৰ্জন দিয়া হয়। দশমীৰ দিনা চামুণ্ডা পূজা, অপৰাজিতা পূজা আৰু

কুমাৰী ভোজন কৰা হয়। এই ভোজনৰ আগতে ৫ বা ৭ গৰাকী কুমাৰী ছোৱালীক চৰণ ধুৱাই, নতুন বস্ত্র পিন্ধাই ভোজ খুওৱা হয়। পূজাৰ অন্তত প্রতীকৰূপী দেৱীক বিসর্জন দিয়া হয়।

দূর্গা পূজাৰ উপৰিও ফাগুণ মাহত শিৱ-ৰাত্রিৰ দিনা অনুষ্টুপীয়াকৈ ঘৃতা, মাহ-প্রসাদ, পায়স আদিৰে শিৱপূজা উদ্‌যাপন কৰা হয়। আনহাতে ঐশ্বৰ্যৰ অধিষ্ঠাত্রী দেৱী লক্ষ্মীপূজা প্রতিবছৰে শুক্ল পক্ষত জাক-জমকতাৰে পালন কৰা হয়। প্রতি বছৰে জেঠ মাহত বিষ্ণুপূজা কৰা হয়। চাৰিখন শৰাই বাহিৰত স্থাপন কৰি পিছত অখণ্ড নাম-কীর্তন অনুষ্ঠিত কৰা হয়। এই পূজা পূর্বৰেপৰা আজিলৈকে চলি আহিছে দেৱালয়খনত। কোনো লোকে যদি নিজৰ অভিষ্ট সিদ্ধিৰ বাবে চণ্ডী বা মনসা পূজাৰ নৈবেদ্য আগবঢ়ায়, তেতিয়া দক্ষিণা কালী মূর্তিক পূজা দি ভিতৰপকীয়া সকাম কৰা নিয়ম প্রচলিত। দেৱালয়খনত নিত্য-নৈমিত্তিক পূজা-অর্চনা কৰাৰ লগতে কোনো ভক্তই যদি সাধাৰণ শৰাই (নৈবেদ্য) বা হাঁহ-ছাগলী আদি আগবঢ়ায় তেতিয়া যি গৰাকী দেৱীৰ নামত সেই পূজা আগবঢ়াই, তেওঁৰ নামত বলি কাটি পূজা দি মনোকামনা পূৰণৰ নির্মিত্তে পূজা কৰা হয়।

অৱশ্যে পূর্বৰ দৰে সকলো দেৱ-দেৱীক নিত্য পূজা কৰাৰ বিপৰীতে শিৱ আৰু দূর্গাকহে বিশেষ ভাৱে পূজা কৰা হয়। তুলসী, ফুল, বীজ-মন্ত্ৰৰে দূৰ্গা দেৱীক আৰু অন্যান্য বিগ্ৰহক ধূম্ৰ পুষ্পৰে পূজা দি নিত্য পূজা সমাপন কৰে।

**৩.২ শ্রী শ্রী বাসুদেৱ থান নৰোৱা সত্ৰত পালনীয় উৎসৱ আৰু আচাৰ অনুষ্ঠান ঃ**

ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত বাসুদেৱ থানত পৰম্পৰাগত সত্ৰীয়া আচাৰ- অনুষ্ঠান পালন কৰা হয়। কিন্তু থানখনত থকা কলীয়া শিলৰ বাসুদেৱ বিগ্ৰহত দৈনিক বিভিন্ন উপচাৰিক কাৰ্য সম্পন্ন কৰা হয়। সত্ৰখনত পুৱা, দুপৰীয়া, আবেলি, সন্ধ্যা নিয়মীয়াকৈ চাৰি প্ৰসঙ্গ যথা ৰীতি মতে পালন কৰা হয়। সাধাৰণতে পুৱাৰ প্ৰসঙ্গ সূর্যোদয়ৰ পূর্বে শেষ কৰা হয় আৰু তাল কোবাই আৰম্ভণি কৰা এই প্ৰসঙ্গত “হৰিবোল হৰিবোল, হৰিবোল” ধ্বনিৰে এটি ৰাগমুক্ত গীত গোৱা হয়। এই প্ৰসঙ্গত আইসকলে কেতিয়াবা কীৰ্তন, কেতিয়াবা সত্ৰৰ বংশলতা গায়। দুপৰীয়াৰ প্ৰসঙ্গটোৰেই সত্ৰখনৰ দিনটোৰ প্ৰধান প্ৰসঙ্গ। এই প্ৰসঙ্গত দবা,

কাঁহ বজোৱাৰ পিছত ঘোষা, দুলড়ী, কীৰ্তন গোৱা হয়। এই প্ৰসঙ্গ হৰিধ্বনিয়ে সামৰণি মাৰে। বিয়লিৰ প্ৰসঙ্গত মাত্ৰ তাল, খোলেৰে এটি গীত গোৱা হয়। তাল কোবাই আৰম্ভ কৰা সন্ধ্যাৰ প্ৰসঙ্গত গুণমালা, টোটয়, ভটিমা পাঠ কৰা হয়। তাৰ পিছত যোৰা প্ৰসঙ্গ গোৱা হয়।

ভাদ মাহটোত সত্ৰখনত প্ৰতিদিনেই চৈধ্য প্ৰসঙ্গ পাঠ কৰা হয়। পহিলা ভাদত শঙ্কৰদেৱৰ বিৰচিত “পাৱে পৰি হৰি” বৰগীতেৰে  চৈধ্য প্ৰসঙ্গৰ আৰম্ভণি কৰে। ইয়াৰ সমান্তৰালভাৱে ভাদ মাহতেই জন্মাষ্টমী, শঙ্কৰদেৱৰ তিথি, মাধৱদেৱৰ তিথি আদিও পালন কৰা হয়। জন্মাষ্টমীৰ আগদিনা ভগৱান কৃষ্ণক স্মৰণ কৰি “গন্ধ” গোৱা হয়। জন্মাষ্টমীৰ দিনা পুৱাৰ প্ৰসঙ্গত খোল প্ৰসঙ্গৰে এটি গীত গোৱা হয়। আইসকলৰ নামত কৃষ্ণ জন্ম সম্পৰ্কীয় দিহা গোৱাৰ লগতে দুপৰীয়া প্ৰসঙ্গতো কৃষ্ণ জন্ম সম্পৰ্কীয় গীত গোৱা হয়। একাদশীৰ দিনা তিৰোতা সকলে পাচতি অনুষ্ঠান পালন কৰে।

ভাদ মাহৰ শুক্লা পক্ষৰ ২ য় দিনা উদ্‌যাপন কৰা শঙ্কৰদেৱৰ তিথিতপুৱা অন্য গীতৰ সমান্তৰালভাৱে সত্ৰখনৰে ৰামচন্দ্ৰ আতাৰ ৰচিত “কংসবধ” নাটৰ “জয় জয় সকল মঙ্গল বাসুদেৱং। সুৰা-সুৰে কৰে যাক সেবং ” নামৰ সামৰণি গীত গোৱা হয়। আইসকলে তেওঁলোকৰ নামত “পৰভাতে শ্যাম কাণু ধেনু লৈয়া সঙ্গে ” গীতটি গায়। এই তিথিৰ আগদিনাদই গন্ধ অৰ্থাৎ ভগৱান শ্ৰী কৃষ্ণক স্মৰণ কৰি বিভিন্ন ৰাগত নাম প্ৰসঙ্গ গোৱা হয়। মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ তিথি ভাদ মাহৰ কৃষ্ণ পক্ষৰ পঞ্চমী তিথিত পালন কৰা হয়। এই উপলক্ষে আগদিনা গন্ধ গোৱা হয় আৰু পুৱাৰ প্ৰসঙ্গত “অৰ্জুন ভঞ্জন” নাটৰ সামৰণি গীত গোৱাৰ সমান্তৰাল ভাৱে বাকীবোৰ প্ৰসঙ্গতো মাধদেৱৰ গীত গোৱা হয়।

বহাগ আৰু মাঘ বিহুৰ সংক্ৰান্তিৰ দিনাও কিছুমান পৰম্পৰাগত আচাৰ সত্ৰখনত পালিত হৈ আ হিছে। “ পৰভাতে শ্যাম কাণু ধেনু লৈয়া সঙ্গে” গীতেৰে দুপৰীয়াৰ প্ৰসঙ্গ আৰম্ভ কৰে বহাগ আৰু চ’ত মাহৰ সংক্ৰান্তিৰ দিনা। গোঁসাই বিহুৰ দিনা (বিহুৰ তৃতীয় দিনা) গধূলি গোটেই বছৰটোলৈ গৰমৰ পৰা পৰিত্ৰান পাবৰ বাবে বাসুদেৱ মূৰ্তিক বিচনীৰে বা দিয়ে, আৰু সেইদিনাৰ পৰা গোটেই বছৰটোলৈ সকলোৰে বিচনী ব্যৱহাৰ কৰে। মাঘ বিহুৰ সংক্ৰান্তিৰ দিনা আগদিনাই সত্ৰখনৰ কীৰ্তন ঘৰ, অধিকাৰ আৰু আন

গোঁসাই মহন্তৰ ঘৰত সমজোৱাকৈ দিহা নাম গোৱা হয় আৰু তাৰ পৰা আৰ্জিত দান-বৰঙণিৰে ভেলাঘৰ সাজি পিছদিনা সেই ভেলাঘৰ জ্বলাই দিয়া হয়। ইয়াক জ্বলোৱাৰ আগতে আৰু পাছত দিহা নাম গোৱাৰ লগতে কীৰ্তনৰ “কংসবধ” ৰ ‘ৰামবনমালী, সীতাবনমালী’ আদি ঘোষা গাই সকলোৱে কীৰ্তন ঘৰত প্ৰৱেশ কৰে। এনেধৰণৰ বিভিন্ন সত্ৰীয়া আচাৰ অনুষ্ঠানৰ লগতে সত্ৰখনত পালনাম, ৰাসমহোৎসৱ, ধোপধৰা দৌলযাত্ৰা, পূৰ্বপুৰুষৰ শ্ৰাদ্ধ আদিও বিধিগত ৰীতিমতে পালন কৰা হয়।

**পালনাম ঃ**

শ্ৰী শ্ৰী বাসুদেৱ থান নৰোৱা সত্ৰৰ এটি জনপ্ৰিয় অনুষ্ঠান পালনাম। তিনিদিনীয়াকৈ পালন কৰা এই পালনাম মাঘ মাহৰ পূৰ্ণিমা তিথিত অনুষ্ঠিত হয়। ১৯৩৪ চনত বৰ্তমানৰ দ’লটি নিৰ্মাণ কৰি মাঘী পূৰ্ণিমাত দ’লটি উদ্বোধন কৰাৰ পিছত সেই দিনটোত সামৰণি পৰাকৈ তিনি দিনীয়াকৈ পালনাম অনুষ্ঠিত কৰা হয়। ইয়াৰ  পৰ্বে বছৰৰ যিকোনো দিনত সত্ৰখনত পালনামৰ আয়োজন কৰা হৈছিল। পালনামত নামপ্ৰসঙ্গ, নামউচ্চাৰণ, বিভিন্ন সুৰত অবিৰতভাৱে ঘোষা পাঠ কৰি শেষৰ দিনা ভাওনা প্ৰদৰ্শন কৰা হয়।

**ৰাসমহোৎসৱ ঃ**

সত্ৰখনৰ অন্যতম ৰাসমহোৎসৱ কাতি বা আঘোণ মাহৰ পূৰ্ণিমা তিথিত পালন কৰা হয়। পূৰ্বতে এদিনীয়াকৈ পালন কৰা এই ৰাস পাছলৈ দুদিন পৰ্যন্ত পালনৰ ব্যৱস্থা কৰা হয়। বৰ্তমান ৰাসৰ নাটত কৃষ্ণৰ অনন্ত শৰ্যাৰিপৰা শঙ্খচূড় বধলৈ সকলো দেখুওৱা হয়। বাসুদেৱ থান নৰোৱা সত্ৰৰ ৰাসক বৰ্তমানৰ অৰ্থ উপাৰ্জনৰ মনোবৃত্তিয়ে আজিও স্পৰ্শ কৰিব পৰা নাই। এই ৰাসৰ লগত মাজুলীৰ চামগুৰি সত্ৰৰ ৰাসৰ প্ৰভাৱ লক্ষণীয়। [৪]“মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ‘কেলি গোপাল’ নাটখনিৰেই সত্ৰসমূহত ৰাসোৎসৱ পালন কৰা হয়। পোন প্ৰথম বাৰৰ বাবে এই নাটৰ ৰাসোৎসৱ নৰোৱা বালি সত্ৰৰ সত্ৰীয় ওজা প্ৰয়াত শিবেন্দ্ৰ দেৱ গোস্বামী প্ৰভুৰ দ্বাৰা বালি সত্ৰত পালন কৰা হৈছিল আৰু ভাগিন মোমাই সম্বন্ধেৰে নতুন চামগুৰি সত্ৰৰ

সত্ৰীয়া জনৈক উদাসীন সত্ৰীয়া ডেকাই নৰোৱা বালি সত্ৰত প্ৰস্তুত কৰা আৰ্হি অনুসৰি চামগুৰি সত্ৰত ‘কেলি গোপাল’ নাটৰ ৰাস আৰম্ভ কৰিছিল আৰু সেই আৰ্হিৰেই বাসুদেৱ থানৰ উদ্যোগী ডেকা সত্ৰীয়া প্ৰয়াত শৰৎচন্দ্ৰ দেৱগোস্বামী প্ৰভুৰ যত্নতেই তদানীন্তন সত্ৰাধিকাৰ মুক্তি আতাৰ পৃষ্ঠপোষকতাত প্ৰাচীন চামগুৰি সত্ৰত প্ৰয়াত সত্ৰাধিকাৰ বংশীধৰ দেৱ গোস্বামী প্ৰভুৰ আশাশুধীয়া প্ৰশিক্ষণেৰে আনুমানিক ১৯৫৫/৫৬ চনত শ্ৰীকৃষ্ণৰ ৰাসযাত্ৰা সমীপৰ সকলো উৎসাহী ৰাইজৰ সহযোগেৰে গঠন হোৱা সমিতিৰ যোগেদি প্ৰথম বাৰলৈ ৰাসযাত্ৰা আৰম্ভ হয় আৰু এই ৰাসৰ কাৰণে প্ৰয়োজনীয় সকলো কলা কৌশল বহু যত্নেৰে আয়ত্ব কৰি লৈ প্ৰয়াত শৰৎ চন্দ্ৰই মহা ৰাসৰ কৃষ্ণ, বাকী ডেকা সকলে গোপী আৰু অন্যান্য ভাওত ভাওৰীয়া হৈ ৰাস পালন কৰে।”

**দৌলযাত্ৰা ঃ**

বাসুদেৱ থান নৰোৱা সত্ৰত পালনীয় আটাইতকৈ গুৰুত্বপূৰ্ণ উৎসৱটোৱেই হল দৌল্‌যাত্ৰা বা ফাঁকুৱা। তাম্ৰশাসনত উল্লেখ থকা মতে, “সত্ৰৰ দৌল উৎসৱ প্ৰথমে ৰামচন্দ্ৰ ঠাকুৰ আতাৰ দিনতে মহা পয়োভৰে পালন কৰা হৈছিল।” ৫ ফাগুণৰ পুৰ্ণিমা তিথিত পালন কৰা এই উৎসব তিনি দিন ধৰি উদ্‌যাপিত হয়। উৎসৱৰ প্ৰথম দিনা ৰাতি অধিবাস। সেইদিনা গায়ন-বায়ন, উৰুলি আদি মাংগলীক ধ্বনিৰ মাজেৰে সত্ৰৰ বাসুদেৱ বিগ্ৰহক দৌলৰ পৰা উলিয়াই আনি “দোলায়ে গোবিন্দ পৰমানন্দে ৰত্ন সিংহাসনে বহি” গীতটো গাই কীৰ্তন ঘৰত স্থাপন কৰা হয়।

দ্বিতীয় দিনা বিবাহ। সেই দিনা “ভাই দেখো কমলা পতি দৌলৰ উপৰে” গীত গাই বাসুদেৱ বি গ্ৰহক দোলাত তুলি ফুৰায়। এই দৃশ্যৰ লগত জগন্নাথ মন্দিৰৰ ৰথযাত্ৰাৰ বহু সাদৃশ্য আছে। ফাঁকুৱাৰ গীত-মাত, প্ৰসংগেৰে সেই দিনা ফাঁকুগুৰি ছটিয়াই আনন্দমুখৰ পৰিবেশৰ সূচনা হয়। সেই দিনা বাসুদেৱ মূৰ্তিক ফাঁকু দিয়াৰ লগতে মহাপুৰীয়া বৰ ধেমালি গোৱা হয়।

তৃতীয় দিনা বিবাহ কাৰ্যৰ সামৰণি মৰা হয়। সেই দিনা বাসুদেৱ মূৰ্তিক গা-ধুৱাই নৱ বস্ত্ৰৰে অলংকৃত কৰি মন্দিৰলৈ ঘূৰাই নিয়া হয়। সেই দিনা বাসুদেৱ প্ৰভূক মন্দিৰলৈ ঘূৰাই অনাৰ দৃশ্য উপভোগ কৰিবৰ বাবে থান খনত লোকে-লোকাৰণ্য হৈ পৰে। অসমৰ বিভিন্ন ঠাইৰ লগতে বিহাৰ, নেপাল, ভূটান আদি ঠাইৰ পৰাও বিভিন্ন লোকে ভিৰ কৰেহি। গায়ন-বায়ন, ভক্ত-বৈষ্ণৱৰ গীতৰ আনন্দ উৎসাহৰ মাজেৰে বাসুদেৱ প্ৰভূক মন্দিৰৰ গৰ্ভত পুনৰ স্থাপন কৰি উৎসৱৰ সামৰণি মৰা হয়। এইবোৰৰ উপৰিও সত্ৰখনত আৰু কেতবোৰ আচাৰ অনুষ্ঠান, লোকাচাৰ পালন কৰি অহা হৈছে। সেইবোৰৰ ভিতৰত “ধোপধৰা” নামৰ অনুষ্ঠানেৰে সত্ৰৰ ডেকা অধিকাৰক আন আন সত্ৰৰ অধিকাৰ, শুভাকাংক্ষীৰ সহযোগত অধিকাৰ পদত অধিষ্ঠিত কৰা হয়। আকৌ সত্ৰখনৰ পূৰ্বপুৰুষৰ শ্ৰাদ্ধ, অধিকাৰ সকলৰ মৃত্যু তিথি ৰীতিগত ভাৱে পালন কৰা হয়। আহাৰ মাহৰ অম্বুবাচীত তিনিদিন ধৰি সত্ৰখনত চাৰি প্ৰসঙ্গ পালন কৰা নহয়। দবা, কাঁহ বজোৱাৰ পৰা বিৰত থাকি সত্ৰৰ প্ৰজ্বলিত চাকি গছাৰ সলনি মাটিতে জ্বলোৱা প্ৰথা পূৰ্ব প্ৰচলিত। অম্বুবাচীৰ শেষৰ দিনা সকলো পৰিষ্কাৰ কৰা হয়।

সময়ৰ পৰিবৰ্তনৰ লগে লগে সকলোতে পৰিবৰ্তন হয়, আনকি ধৰ্মীয় অনুষ্ঠানৰ ৰক্ষণশীল নীতি-নিয়ম, আচাৰ অনুষ্ঠানতো এই প্ৰভাৱ বিদ্যমান। কিয়নো, ঢকুৱাখনাৰ শ্ৰী শ্ৰী বাসুদেৱ থান নৰোৱা সত্ৰলৈ বিভিন্ন আপদ, বাধা-বিঘিনিত নিজৰ আশা-আকাংক্ষা পূৰণৰ বাবে বিভিন্ন ঠাইৰ পৰা ভিন-ভিন সময়ত বিভিন্ন ভক্তৰ আগমন হয়। বাসুদেৱ পূজাৰ শাস্ত্ৰীয় বিধিমতে বিগ্ৰহৰ পূজা কৰা নহয়। কিন্তু দূৰ দূৰণিৰ ভক্ত প্ৰাণ ৰাইজৰ সেৱাৰ সুবিধাৰ্থে এই নিয়ম সৰলীকৃত কৰি সত্ৰৰ গোঁসাই, মহন্ত বা জ্যেষ্ঠ ভকতৰ দ্বাৰা পুৱাৰ পৰা সন্ধিয়া পৰ্যন্ত বাসুদেৱ বিগ্ৰহত পূজা-পাতল কৰি অহা হৈছে। আকৌ কোনো লোকে নিজৰ মনোকামনা পূৰণৰ পিছত সত্ৰখনত উন্নয়ন কমিতিক জনাই ভাওনা প্ৰদৰ্শন কৰায়। এই খিনিতে এটা কথা মন কৰিব লগীয়া যে, সত্ৰখনৰ দ্বাৰা পৰিচালিত “ভাওনা’ত কৃষ্ণৰ ভাও গোঁসাই বা কায়স্থ বংশৰ বাহিৰে আন লোকে অভিনয় কৰাত বাধা নিষেধ কৰি অহা হৈছে। ই সত্ৰখনত প্ৰচলিত নীতি-নিয়মৰ ৰক্ষনশীলতা আৰু সৰলীকৃত নিয়মৰ দুই বিপৰীত দিশৰো ইংগিত বহন কৰিছে। সত্ৰখনৰ পূৰ্বৰ কিছুমান নীতি-নিয়ম, গীত-

মাত লুপ্ত হৈছে, কিছুমান পূৰ্বৰ তুলনাত চমু কৰা হৈছে। বিৰ্শেষকৈ পুৰাৰ প্ৰসঙ্গ পাঠৰ আগতে গোৱা "মঞ্জিৰা নাম" আই সকলৰ নামৰ বংশাৱলী দিহা প্ৰায় নোহোৱা হোৱাৰ উপক্ৰম হৈছে। ইয়াৰ উপৰিও বহু গীত-মাত, ঘোষা, গায়ন-বায়ন আদি সময় সাপেক্ষ হৈ পৰা যেন অনুমান হয়। হয়তো সময়, ভকত-বৈষ্ণৱৰ অভাৱে সত্ৰখনৰ এনে পৰম্পৰা গত নীতি-নিয়মত প্ৰভাৱ পেলাইছে বুলি ভাবিবৰ থল আছে।

**৩.৩ শ্ৰী শ্ৰী বৰঠাই সত্ৰত পালনীয় উৎসৱ আৰু আচাৰ অনুষ্ঠান ঃ**

ঢকুৱাখনাৰ শ্ৰী শ্ৰী বৰঠাই সত্ৰখন জনবিশ্বাস আৰু ধৰ্ম বিশ্বাসৰ এক মহত্ত্বপূৰ্ণ থলী হিচাপে গ্ৰহণ কৰি আহিছে অঞ্চলবাসীয়ে। সত্ৰখনত পালনীয় উৎসৱ অনুষ্ঠানৰ ভিতৰত ৰাতি অনুষ্ঠিত কৰা 'বৰসবাহ' অন্যতম। এই সকামভাগ ৰাতিৰ আন্ধাৰত গোপনে কৰা হয়। বছৰৰ মাঘ মাহৰ  শেষৰ দেওবাৰটোত পালন কৰা এই সকাম ভাগ সম্পূৰ্ণ ভিতৰ মাৰ্গ প্ৰক্ৰিয়াৰে অনুষ্ঠিত কৰা হয়। দুটা স্তৰত পালন কৰা এই সকামত কেৱল সৎ-সঙ্গীয়া ভকতসকলেহে অংশগ্ৰহন কৰিব পাৰে। যিহেতু ডাঙৰীয়া (উপৰি-পুৰুষ)ৰ স্মৃতিত এই সকাম ভাগ কৰা হয়, সেয়ে সকামৰ ভিতৰ স্তৰত পালিত ক্ৰিয়া-কাৰ্যত নিজ পৰিয়ালৰ সৎ-সঙ্গীয়া মানুহৰহে অংশগ্ৰহনৰ সুবিধা আছে। এই নিয়ম পূৰ্বৰ পৰা বৰ্তমানলৈকে প্ৰচলিত হৈ আছে। সকামৰ অংশ ৰূপে স্থানীয়ভাৱে উৎপাদিত ফলাহাৰ, ঘিঁউ-মৌৰে ৰাতিৰ ভিতৰতে পিণ্ড দিয়াৰ পৰম্পৰা চলি আহিছে যদিও বৰ্তমান এই পৰম্পৰাৰ কিছু সাল-সলনি ঘটিছে। সকামটো ৰাতি পতাক লৈ এতিয়াও জ্ঞানন্বেষীৰ কৌতুহল আছে। এই সম্পৰ্কত সত্ৰখনৰ লগত জড়িত সমীপৰ ইন্দ্ৰেশ্বৰ দাসে কৈছে যে, [৬] সকামভাগিত যি খন শাস্ত্ৰ পাঠ কৰা হয় তাৰ আখৰখিনি কেঁচুৰ ৰসেৰে নিৰ্মিত ছিয়াঁহীৰে লিখা, যি কেৱল ৰাতি অন্ধকাৰতহে জিলিকি থাকে। সেয়ে আন্ধাৰ ৰাতি কেৱল চাকিৰ পোহৰত এই সকাম ভাগৰ আয়োজন কৰা হয়। সকলো গাঁও বাসীয়ে অতি শ্ৰদ্ধা আৰু পৰম বিশ্বাসেৰে বৰ্তমানেও সকাম ভাগ পূৰ্বৰ দৰে পালন কৰি আহিছে।

আন-আন বিশেষ উৎসৱ অনুষ্ঠান সত্ৰখনত অনুষ্ঠিত কৰা নহয়, যদিও কাৰোবাৰ মনোবাঞ্ছা পূৰণৰ নিৰ্মিত্তে শৰাই আদি আগবঢ়ালে তাক যথাৰীতি ভাৱে বৰ্তমানেও পালন কৰা হয়।

**৩.৪ গোপালপুৰ সত্ৰত পালনীয় উৎসৱ আৰু আচাৰ অনুষ্ঠান ঃ**

ঢকুৱাখনাৰ ঘিলামৰাত অৱস্থিত গোপালপুৰ সত্ৰখন ব্ৰহ্মসংহতিৰ অন্তৰ্গত। [৭] সত্ৰখন প্ৰতিষ্ঠাৰ কালৰে পৰা বৈদিক নীতি-নিয়মেৰে গোপাল মূৰ্তিক পূজা কৰাৰ লগতে তাৰ সমান্তৰালকৈ পূৰ্বতে সত্ৰীয়া চাৰি প্ৰসংঙ্গও পালন কৰিছিল। কিন্তু বৰ্তমান এই খন সত্ৰত সন্ধ্যা দবা-ঘন্টাৰ আৰতিৰ লগতে পুৱা ফুল, তুলসী আদিৰে লাড়ুৱা গোপাল মূৰ্তি আৰু শালগ্ৰামক পূজা কৰা হয়।

পূৰ্বতে এই সত্ৰখনলৈ মূল সত্ৰৰ অধিকাৰে পূজাৰী নিয়োগ কৰিছিল আৰু সেই পূজাৰীয়ে সত্ৰখনৰ যাবতীয় পূজা-পাৰ্বণ কৰিছিল। তেওঁ সত্ৰখনৰ সকলো তদাৰক কৰি সত্ৰখনৰ আয়-ব্যয়ৰ হিচাপে ৰাখে আৰু নিৰ্দিষ্ট সময়ত সত্ৰৰ মেধি আহি দা-দক্ষিণা, মাটিৰ খাজনা আদি আদায় কৰি নিয়ে। চৰকাৰে ছিলিং এক্টৰদ্বাৰা সত্ৰখনৰ মাটি অধিগ্ৰহণ কৰাৰ পৰা এই পৰম্পৰা উঠি গৈছে। বৰ্তমান সত্ৰখনত অচলা অৱস্থাই বিৰাজ কৰিছে।

পূৰ্বতে জন্মাষ্টমী, ৰাসমহোৎসৱ আদি অতি উলহ-মালহেৰে পালন কৰা হৈছিল যদিও বৰ্তমান এই উৎসৱ সমূহ বহু বছৰ ধৰি পালন কৰা হোৱা নাই। ঠিক একেদৰে পূৰ্বৰ অধিকাৰ সকলৰ তিথিও বৰ্তমান পালন কৰা নহয়। অসমীয়াৰ বাপতি সাহোন ৰঙালী, কঙালী আৰু ভোগালী বিহুৰ উৰুকা দিনা বন্তি জ্বলাই নাম-প্ৰসঙ্গৰে শৰাই দিয়া পৰ্ব বৰ্তমানেও পালন কৰি অহা হৈছে। পূজাৰীয়ে কোনো মতে নিতৌ বন্তি গছি জ্বলাই সত্ৰখনৰ অস্তিত্ব জীয়াই ৰাখিছে।

**৩.৫ গোবিন্দপুৰ সত্ৰত পালনীয় উৎসৱ আৰু আচাৰ অনুষ্ঠান ঃ**

ব্ৰহ্ম সংহতিৰ সত্ৰ হিচাপে গোবিন্দপুৰ সত্ৰত সত্ৰীয়া আচাৰ অনুষ্ঠান, প্ৰসংঙ্গ-প্ৰণালীৰ লগতে বৈদিক ৰীতি- নীতিৰে বিভিন্ন পূজা-পাৰ্বণ ও কৰা হয়। সত্ৰখনত থকা বিষ্ণুৰ গোবিন্দ মূৰ্তি আৰু বংশীবাদন কৃষ্ণৰ মূৰ্তিৰ লগতে শালগ্ৰামৰ নিত্য পূজা কৰা হয়। সম্পূৰ্ণ ব্ৰাহ্মণ্য বৈদিক ৰীতি অনুসৰি আদিতে এই

নিত্য পূজা পূৰ্ণ ৰূপত কৰিলেও সময়ৰ তাগিদাত এই পূজা ভাগ বৰ্তমান নিয়ম-মাত্ৰ পালন কৰা হয়। মূৰ্তি কেইটা থকা স্থানতেই বৰ্তমান ফুল, তুলসী, দুবৰি মিশ্ৰিত পানীৰে শান্তিয়ণী পানী ছটিয়াই পূজা কৰা হয়। অৱশ্যে শালগ্ৰাম কেইটাক পূৰ্বৰ ৰীতি মতে স্নান কৰোৱা হয়। সত্ৰীয়া চৈধ্য প্ৰসঙ্গ বা দৈনিক পালনীয় পাঠ-প্ৰসঙ্গ আদি বৰ্তমান পালন কৰা নহয়। বৰ্তমান পূজাৰী তীৰ্থ শৰ্মা দেৱে দিনটোৰ নিত্য পূজা কেইটা কৰাৰ পিছত সত্ৰখনত নিমাত্ত-মাও অৱস্থাই বিৰাজ কৰে। অৱশ্যে বছৰৰ নিৰ্দিষ্ট দিনত অনুষ্ঠিত হোৱা শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিথি পূৰ্বৰ ৰীতি মতেই সত্ৰখনত পালন কৰা হয়। সত্ৰখনৰ গাতে লাগি থকা শিষ্য সকলে এই উৎসৱ অনুষ্ঠানত সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰি আহিছে। তিনিওটা বিহুৰ সংক্ৰান্তিৰ দিনা শিষ্য সকলে শৰাই দি নাম-প্ৰসঙ্গৰে সত্ৰখন মুখৰিত কৰি ৰাখে।

[৮]গোবিন্দপুৰ সত্ৰত পালনীয় আটাইতকৈ আকৰ্ষণীয় উৎসৱটো হ'ল বছৰৰ জেঠ মাহত পালন কৰা 'বৰসবাহ'। এই উৎসৱৰ লগত সংগতি ৰাখি তিনিজনী অপুষ্পিতা ছোৱালীৰ দ্বাৰা কিছুমান ৰীতি-নীতি পালন কৰা হয়। তিনিদিন ধৰি পালন কৰা এই বৰসবাহৰ প্ৰথম দিনা তিনিজনী কুমাৰী ছোৱালীয়ে কাষত কলহ লৈ গায়ন-বায়নেৰে পানী তোলা পৰ্ব পালন কৰে। অসমীয়া পৰম্পৰাগত বিবাহৰ পানীতোলা পৰ্বৰ লগত ইয়াৰ কিছু মিল লক্ষ্য কৰা যায়। আয়তী সকলে বিয়ানামৰ সুৰত —

"ৰাখা-ৰাখা মহা প্ৰভু মায়াক যে খাই,
তুমি প্ৰভু নাৰাখিলে ৰাখোঁতা যে নাই..."

এনে ধৰণৰ ঘোষা গায়। সবাহৰ দ্বিতীয় দিনা তোলা পানীৰে গোবিন্দ মূৰ্তিক স্নান কৰায়। তৃতীয় দিনা পুৱা গোঁসাই নাম গাই তিনিবাৰ পানী তোলা হয় আৰু কীৰ্তন ঘৰৰ চাৰিও ফালে তিনিবাৰ ঘূৰে। এই তিনিদিন ছোৱালী কেইজনী ব্ৰতত থকাৰ পিছত স্নান কৰি নতুন কাপোৰ পিন্ধি গোবিন্দ মূৰ্তি ধুৱায় আৰু নতুন বস্ত্ৰ পিন্ধায়। আন-আন উৎসৱ ৰাস, ফাঁকুৱা, ভাওনা আদি কোনোটোৱেই সত্ৰখনত পালন কৰা নহয়; অৱশ্যে কোনো লোকে মনোকামনা পূৰণৰ নিৰ্মিত্তে উচৰ্গিত ভাওনা সত্ৰখনত অনুষ্ঠিত কৰা হয়।

**৩.৬ গৰখীয় দ'লত পালনীয় উৎসৱ আৰু আচাৰ অনুষ্ঠান ঃ**

ঢকুৱাখনা মহকুমাৰ আন এখন উল্লেখযোগ্য ধৰ্মানুষ্ঠান হ'ল ঐতিহ্যমণ্ডিত গৰখীয়া দ'ল। গৰখীয়া দ'লটোত বৰ্তমান পালনীয় উৎসৱ অনুষ্ঠানৰ ভিতৰত 'দ'ল-সকাম' আৰু 'ফাঁকুৱা' অন্যতম। চেলাজান কছাৰী গাওঁৰ বাসিন্দা দিবাকৰ বড়াৰ পৰা লোৱা তথ্য অনুসৰি [৯] 'দ'ল সকাম' পূৰ্বতে বছৰত এবাৰহে কৰিছিল। কিন্তু বৰ্তমান বছৰৰ কাতি আৰু বহাগ মাহত দুবাৰ এই সকাম ভাগ কৰা হয়। নিজৰ গাঁওখন, সমাজ খনৰ মঙ্গলাৰ্থে এই সকাম ভাগ অনুষ্ঠিত কৰা হয়। পূৰ্বতে হাঁহ আদি জীৱ-জন্তুৰ বলি বিধানেৰে এই সকাম ভাগিৰ আয়োজন কৰি ভোজ-ভাত খোৱাৰ নিয়ম প্ৰচলিত আছিল যদিও পিছলৈ জীৱ-জন্তুৰ বলি বিধান প্ৰথা উঠাই দি পায়সৰ (ভোগ) শৰাই দি বিষ্ণুৰ নামত এই পূজা অৰ্পণ কৰে।

'ফাঁকুৱা' গৰখীয়া দ'লত পালনীয় আন এটা গুৰুত্বপূৰ্ণ উৎসৱ। কীৰ্তনৰ "ঘুনুচা যাত্ৰা" খণ্ডৰ কাহিনীৰ লগত সংগতি ৰাখি কৃষ্ণই ইন্দ্ৰদ্যুম্ন ৰজাৰ জীয়েক ঘুনুচাক বিবাহ কৰিবলৈ ওলোৱা কাহিনীৰ ফলস্বৰূপে ফাগুণ মাহৰ পূৰ্ণিমা তিথিত 'ফাঁকুৱা' উৎসৱ পালন কৰা হয়। অৱশ্যে দ'লটোত ফাঁকুৱাৰ দিনা নাম-কীৰ্তনৰ লগতে ৰাতি ভাওনা অনুষ্ঠিত কৰা হয়। গৰখীয়া দ'লত ভক্তৰ উচৰ্গিত ভাওনাহে প্ৰদৰ্শন কৰে। ফাঁকুৱাৰ লগত সংগতি ৰাখি বৰ্তমান শিৱ পূজাৰো আয়োজন কৰি আহিছে গএগা ৰাইজে। এই ফালৰ পৰা চাবলৈ গলে দ'লটোত শাক্ত, বৈষ্ণৱ আৰু শৈৱ এই তিনিওটা ধাৰাৰ চৰ্চা অব্যাহত আছে।

**৩.৭ প্ৰসিদ্ধ মন্দিৰত পালনীয় উৎসৱ আৰু আচাৰ অনুষ্ঠান ঃ**

প্ৰসিদ্ধ মন্দিৰত পালনীয় দিনটোৰ নিত্য পূজাৰ ভিতৰত পুৱা আৰু ৰাতি শ্ৰী গুৰুস্তুত মন্ত্ৰ আৰু তাৰ পিছত বিষ্ণুস্তুত মন্ত্ৰৰে পূজা কৰি, পিছত ভাগৱত চৰ্চা কৰে। ৰাতিপুৱা ১০ বজাৰ আগেয়ে সমাপন কৰা এই পূজা পুনৰ সন্ধিয়াৰ লগে লগে আৰম্ভ কৰি ৰাতি যিকোনো সময়ৰ ভিতৰত শেষ কৰিব লাগে। এই নিত্যপূজা দুপৰীয়া কেৱল বুধবাৰেহে পালন কৰা হয় মন্দিৰটোত। ইয়াৰ উপৰিও মাঘ মাহৰ শুক্ল পক্ষৰ পঞ্চমী তিথিত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা কৰা হয়। তেনেদৰে লক্ষ্মী পূৰ্ণিমাৰ দিনা ৰাতি

মন্দিৰৰ পৰিষদ, ভকত, গোপিনী আদিৰ সহযোগীতাৰে মাহ-প্ৰসাদ, নাৰিকল, চিৰা আদি বিভিন্ন উপচাৰেৰে লক্ষ্মী পূজা পালন কৰে। মন্দিৰটোত পালনীয় উৎসৱ সমূহৰ ভিতৰত গুৰু প্ৰসিদ্ধ দেৱৰ জন্মোৎসৱ মাঘ মাহৰ শুক্ল পক্ষৰ সপ্তমী তিথিত উলহ-মালহেৰে পালন কৰা হয়। সেইদিনা ৰাতিপুৱা বিষ্ণু বন্দনাৰ পিছতে ভাগৱত ফুৰায়, তাৰ পিছত ধৰ্মীয় পতাকা উত্তোলন কৰি মন্দিৰত সমূহীয়া প্ৰাৰ্থনাৰ পিছত অখণ্ড নাম কীৰ্তন কৰি ৰাতি ১২ বজাৰ আগে-আগে শঙ্খ ধ্বনিৰে এই উৎসৱৰ সামৰণি মৰা হয়।

আৰ্থিক ফালৰ পৰা বৰ্তমান নিৰ্মাণৰত অৱস্থাত থকা মন্দিৰটোত জনসমাগম যথেষ্ট কম, তথাপিও জনজাতীয় বিশেষকৈ মিছিং এলেকা প্ৰধান অঞ্চলটোত প্ৰতিষ্ঠিত মন্দিৰটোৱে জনসাধাৰণৰ মাজত ভক্তিচৰ্চাৰ বাণী বিয়পাবলৈ অনাগত সময়লৈ অপেক্ষা কৰিব লাগিব।

প্ৰঙ্গটোকা ঃ

১। মহেশ্বৰ নেওগ, পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি - পৃষ্ঠা- ৭৭

২। বিৰিঞ্চি কুমাৰ বৰুৱা ঃ A Cultural History of Assam - ১৫৬৯, পৃষ্ঠা - ৮৯

৩। বৰ্তমানৰ পূজাৰী ললিত বৰঠাকুৰৰ পৰা পোৱা তথ্য (হাৰ্হি দেৱালয়), বয়স - ৬৭

৪। দেৱেন্দ্ৰ দেৱ গোস্বামী ঃ শ্ৰী শ্ৰী বাসুদেৱ থান নৰোৱ সত্ৰৰ ইতিবৃত্ত, পৃষ্ঠা- ৩১

৫। একে গ্ৰন্থ - পৃষ্ঠা - ২৯

৬। ইন্দ্ৰেশ্বৰ দাসৰ পৰা পোৱা তথ্য (স্থানীয় ব্যক্তি, বৰঠাই সত্ৰ) বয়স - ৬৮

৭। বৰ্তমানৰ পূজাৰী পুৰন্দৰ শৰ্মাৰ পোৱা তথ্য (গোপালপুৰ সত্ৰ) বয়স - ৬২

৮। পূণ্য কোঁচৰ পৰা পোৱা তথ্য (স্থানীয় মহিলা, গোবিন্দপুৰ সত্ৰ),বয়স - ৪৮

৯। দিবাকৰ বড়াৰ পৰা পোৱা তথ্য (স্থানীয়ব্যক্তি গৰখীয়া দ'ল) বয়স - ৪৪